**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 09-03-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

০০০০০

১। সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যত ৰাজনৈতিক দলসমূহৰ ভোটদাতাক আকৰ্ষণৰ প্ৰচেষ্টা। মিত্ৰতা কেন্দ্ৰিক আলোচনা অব্যাহত।

২। ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শিলচৰ ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা বৈঠক ।

৩। নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেঁতু কাইলৈ মুকলি।

৪। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ ২৯ কোটি ৮৯ লাখ টকা ব্যয় সাপেক্ষ ৪টা প্ৰকল্পৰ আধাৰশিলা স্থাপন।

**আৰু**

৪। আইতুলা আলি খামেইনিৰ পুত্ৰ মুস্তাৱাক আজি ইৰানৰ শীৰ্ষ নেতা হিচাপে নিযুক্তি।

০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে ভোটদাতাৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱা নাই যদিও দলসমূহে জনসাধাৰণৰ মাজলৈ গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বজালী জিলাৰ পৰা নলবাৰীলৈ সামৰি লৈছে। বজালীৰ বামাখাটা সত্ৰৰ পৰা নলবাৰীলৈ যাত্ৰা কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্ল বৰুৱাৰ উপৰি ভালেসংখ্যক দলীয় সদস্যই অংশগ্ৰহণ কৰে। ইপিনে, কংগ্ৰেছ দলেও ৰাইজৰ মন জয় কৰাৰ বাবে সময় পৰিৱৰ্তন যাত্ৰা শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰিছে। অসম গণ পৰিষদ দলৰ হৈ আজি অসম যুৱ পৰিষদে চাবুৱাত সমন্বয় সংকল্প যাত্ৰা উলিয়াই জনসাধাৰণক আকৰ্ষণৰ চেষ্টা কৰে।

সমাগত বিধানসভা নিৰ্বাচনত কেইবাটাও বিৰোধী দলে মিত্ৰতা কৰাৰ চৰ্চা চলি আছিল যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলে মিত্ৰতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি দলটোৱে এটা বিবৃতিযোগে বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰাৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগতে কেইবাটাও সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছে। নিৰ্বাচনৰ সময় চমু চাপি অহাৰ

লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদি অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে আজি নতুন দিল্লীত কংগ্ৰেছ দলত যোগদান কৰে। যোগদানৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ মাৰ্চত শিলচৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰীয়ে সেইদিনা শিলচৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু এটা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে এখন সমাৰেশতো অংশ ল'ব। আজি প্ৰধানমন্ত্ৰীৰ আগমণৰ প্ৰস্তুতি পৰিদৰ্শন কৰি বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী পাঁচগ্ৰামৰ পৰা বৰাপানীলৈ নিৰ্মাণ হ'বলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষ এক্সপ্ৰেছ হাইৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্প সম্পূৰ্ণ হ'লে চাৰে চাৰি ঘণ্টাৰ ভিতৰত শিলচৰৰ পৰা গুৱাহাটীলৈ যাতায়াত সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰীয়ে কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰীলৈ চাৰে তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতু আৰু শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত শিলচৰৰ পৰা আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখিৰাণী দাসে এইদৰে কয় -

-বাইট(আঁখিৰাণী)-

০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন কাইলৈ মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে। এই উৰণ সেঁতুখন মুকলি সন্দৰ্ভত এয়া কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত বৰা -

-বাইট (হেমন্ত বৰা)-

উল্লেখযোগ্য যে, মাছখোৱাৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুখনেৰে কালিৰে পৰা লঘু যান বাহনৰ চলাচল কৰা হৈছে।

০০০০০

বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২৯ কোটি ৮৯ লাখ টকা ব্যয়সাপেক্ষ চাৰিটা আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ১০০খনকৈ বিছনাযুক্ত ছাত্ৰীনিবাস আৰু ছাত্ৰাবাস, ১০০খন বিছনাযুক্ত আবাস আৰু নাৰ্চৰ আবাস আছে। প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত শ্ৰীমহিলাৰীয়ে এই প্ৰকল্পসমূহে ছাত্ৰ-ছাত্ৰীসকলৰ থকাৰ অসুবিধা দূৰ কৰিব বুলি আশা প্ৰকাশ কৰে। তদুপৰি ইয়াৰ ফলত চিকিৎসা শিক্ষা আৰু স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়ন হ'ব বুলিও তেওঁ মন্তব্য কৰে।

-বাইট(হাগ্ৰামা)-

বি টি চিৰ মুৰববীগৰাকীয়ে আজি চিৰাং জিলা বিজনী মহকুমাৰ উলুবাৰীত ৫ কোটি টকা ব্যয় সাপেক্ষ বীৰ চিলাগাং বসুমতাৰী সোঁৱৰণী মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমহিলাৰীয়ে  সাংবাদিকৰ আগত বি পি এফৰ সংসদীয় বোৰ্ডৰ এখন বৈঠক আজি হাউলীত অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। এই বৈঠকত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সম্পৰ্কত আলোচনা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। বিজেপিৰ সৈতে আসন বুজাবুজি সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

সংঘৰ্ষজৰ্জৰ পশ্চিম এছিয়াত অস্থিৰ পৰিৱেশ বৰ্তমানো অব্যাহত আছে। ইৰাণৰ শীৰ্ষ নেতা আইতুলা আলি খামেইনিৰ মৃত্যুৰ ন দিনৰ পাছত আজি দেশখনে পৰৱৰ্তী নেতা হিচাপে প্ৰয়াত আলি খামেইনিৰ পুত্ৰ মুস্তাৱাক নিযুক্তি দিয়ে। এই নিযুক্তি আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগতে ইজৰাইলে অগ্ৰহণীয় বুলি মন্তব্য কৰিছে।

আজি পুৱা ইজৰাইলে ইৰাণৰ ৰিভলিউচনাৰী গাৰ্ডছ কুদ্ছ বাহিনীৰ কামাণ্ডাৰসকলক লক্ষ্য কৰি দক্ষিণ লেবাননত পুনৰ আক্ৰমণ চলায়। ইজৰাইলৰ আক্ৰমণত লেবাননত মৃত্যু হোৱা লোকৰ সংখ্যা ৪০০লৈ বৃদ্ধি পাইছে বুলি দেশখনৰ স্বাস্থ্য মন্ত্ৰ্যালয়ে প্ৰকাশ।

ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে আজি কয়, যে দেশখনে তেহৰানত ইছলামীক ৰিভলিউচনাৰী গাৰ্ড ক'ৰ্পছ আৰু অন্যান্য নিৰাপত্তাৰ সৈতে জড়িত আন্তঃগাঁথনিক লক্ষ্য কৰি পুনৰ অভিযান আৰম্ভ কৰিছে। এই আক্ৰমণত আই আৰ জি চিৰ মুখ্য কাৰ্যালয়, প্ৰায় ৫০টা অস্ত্ৰ ভাণ্ডাৰ, এটা অন্তৰ্ৱৰ্তী নিৰাপত্তা কামাণ্ড চেণ্টাৰ ধ্বংস হৈছে বুলি ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে দাবী কৰিছে।

ইফালে, ইৰাণৰ এখন বিদ্যালয়ৰ কাষৰ নৌসেনাৰ ঘাটিক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত এখন স্কুল ধ্বংস হয়।

পশ্চিম এছিয়াৰ সংঘৰ্ষজৰ্জৰ পৰিৱেশে বিশ্বজুৰি সৃষ্টি কৰা বিত্তীয়  অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত আজি জি-৭ দেশসমূহৰ বিত্তমন্ত্ৰীসকলে বৈঠকত মিলিত হৈ তেল আৰু খনিজ সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত পৰৱৰ্তী পৰিকল্পনা যুগুত কৰাৰ সম্ভাৱনা আছে।

ooooo

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ আৰক্ষীয়ে কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত অভিযান চলাই কেইবাজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ধৃত মইনুল হক, মুন কলিতা, কংকন কলিতা, হীৰকজ্যোতি কলিতা আৰু মুস্তাকিম আহমেদৰ পৰা আৰক্ষীয়ে এহেজাৰৰো অধিক লোকৰ কে ৱাই চি নথি, ৫৪খন বেংক পাচবুক, ১০খন চেকবুক আৰু এহেজাৰ ৫০০খন ছিম কাৰ্ড জব্দ কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে এই লোককেইজনে অবৈধভাৱে হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ খুলি তাত নামভৰ্তিৰ অজুহাতত ভালেসংখ্যক মহিলাৰ পৰা নথিপত্ৰ সংগ্ৰহ কৰিছিল। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি অনুসন্ধান আৰম্ভ কৰিছে।

ooooo

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ অসম আৰক্ষী সেৱাত ৬ নম্বৰ স্থান প্ৰাপক আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ অংশকালীন ঘোষিকা জেছমিন চুলতানা আৰু সংস্কৃতি মন্ত্ৰ্যালয়ৰ অধীনৰ উত্তৰ-পূব সাংস্কৃতিক কেন্দ্ৰৰ পৰা ৰাষ্ট্ৰীয় যুৱ শিল্পী প্ৰতিভা বঁটা প্ৰাপক অংশকালীন ঘোষিকা ৰুজি মুদৈক আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰই সম্বৰ্ধনা জ্ঞাপন কৰে। কেন্দ্ৰৰ সন্মিলন কক্ষত আজি আয়োজিত অনুষ্ঠানত দুয়োগৰাকীকে

সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত কেন্দ্ৰৰ মুৰব্বী ৰবীন চন্দ্ৰ বড়ো, সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধাৰ প্ৰমুখ্যে কেন্দ্ৰটোৰ অনুষ্ঠান শাখা, অভিযান্ত্ৰিক শাখা, বাতৰি বিভাগ আৰু যুৱবাণী শাখাৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সম্বৰ্ধনা গ্ৰহণ কৰি জেছমিন চুলতানাই অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা লাভ কৰাৰ ক্ষেত্ৰত আকাশবাণীৰ অভিজ্ঞতাই সহায় কৰিছে বুলি উল্লেখ কৰে। একেদৰে, ৰুজি মুদৈয়েও আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ আঁত ধৰে যুৱবাণী শাখাৰ দায়িত্বত থকা অনুষ্ঠান কাৰ্য্যবাহী ইন্দ্ৰজিৎ দাসে।

০০০০০

অহা এক এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩০ টকাকৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাত দৈনিক মজুৰি ২৮০ টকা আৰু বৰাক উপত্যকাত শ্ৰমিকসকলৰ মজুৰি দৈনিক ২৫৮ টকালৈ বৃদ্ধি পাব। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। চাহ বাগিচাৰ সৰ্বাংগীন উন্নয়ন আৰু শ্ৰমিকসকলৰ সামাজিক সুৰক্ষা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, চাহ জনজাতি তথা আদিবাসী সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশৰ বাবে ৰাজ্য চৰকাৰে ভালেমান পদক্ষেপ লৈছে। এই অনুসৰি চৰকাৰী চাকৰিৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত তিনি শতাংশ সংৰক্ষণ, ডেৰ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীলৈ প্ৰাক প্ৰৱেশিক আৰু প্ৰৱেশিকাৰ পৰৱৰ্তী সময়ত জলপানী, চাহ বাগিচা অঞ্চলত ১২০ খন আদৰ্শ বিদ্যালয় স্থাপন, এম বি বি এছ পাঠ্যক্ৰমত সংৰক্ষিত আসনৰ সংখ্যা চাৰিলৈ বৃদ্ধিৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। তদুপৰি চাহ বাগিচা অঞ্চলত ১৫ খন চিকিৎসালয় স্থাপন, বিনামূলীয়া ঔষধ যোগান আৰু কমেও ২৪০ খন চাহ বাগিচাত আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে।

০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এইকথা প্ৰকাশ কৰে।

০০০০০

কৃষি বিভাগৰ অভিযানন্ত্ৰিক শাখাৰ কৃষি যান্ত্ৰিকীকৰণ উপ আঁচনিৰ অধীনত আজি বোকাখাটত কৃষি মন্ত্ৰী অতুল বৰাই কৃষিৰ ক্ষেত্ৰত প্ৰয়োজনীয় যান্ত্ৰিক সা-সঁজুলি বিতৰণ কৰে। বোকাখাট সমজিলাৰ ৬০গৰাকী আবেদনকাৰী কৃষকক পাৱাৰ টিলাৰৰ দৰে যান্ত্ৰিক সঁজুলি বিতৰণ কৰি মন্ত্ৰী গৰাকীয়ে কৃষি বিভাগত বিগত সময়ছোৱাত বিজ্ঞান সম্মত উন্নয়ন কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কৃষি বিভাগৰ বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কে অৱগত কৰাৰ লগতে উন্নয়নৰ খতিয়ানও দাঙি ধৰে।

০০০০০

পশ্চিম এছিয়াত সৃষ্টি হোৱা পৰিস্থিতিক কেন্দ্ৰ কৰি বিৰোধী দলৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ কাৰ্য্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। লোকসভাৰ কাম-কাজ দুবাৰকৈ স্থগিত হোৱাৰ পাছত বিয়লি ৩ বজাত সদন পুনৰ মিলিত হোৱাত সদন পৰিচালনাৰ দায়িত্বত থকা জগদম্বিকা পালে নিৰ্ধাৰিত সূচী অনুসৰি কংগ্ৰেছৰ সাংসদ মহম্মদ জাভেদক লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে অপসাৰণৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ আহ্বান জনায়। সেই সময়তে কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টিকে ধৰি বিৰোধী দলৰ সদস্যসকলে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা বিচাৰি সদনৰ মজিয়ালৈ উঠি গৈ প্ৰতিবাদ সাব্যস্ত কৰে। শ্ৰীপালে বিষয়টো সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সদনৰ শূণ্যকালত বিবৃতি দিয়া বুলি উল্লেখ কৰি কয়, যে বিষয়টো লৈ পুনৰ আলোচনাৰ অনুমতি দিয়া নহ'ব। তেওঁ লগতে সদস্যসকলক নিজৰ আসনত উপৱিষ্ট হৈ সদন পৰিচালনাত সহায় কৰিবলৈ আহ্বান জনায়। বাৰম্বাৰ আহ্বানৰ পাছতো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত সদন পৰিচালনাৰ দায়িত্বৱাহী শ্ৰীপালে লোকসভাৰ কাৰ্য্যক্ৰমণিকা দিনৰ ১১ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০

বি এইছ্ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড০ কুঞ্জ কুসুম কাকতিৰ কালি গুৱাহাটীৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ। শিক্ষা বিভাগৰ প্ৰৱক্তা আৰু বিভাগীয় মুৰব্বী হিচাপে সেৱা আগবঢ়োৱাৰ পাছত তেওঁ ২০০৪ চনৰ পৰা ২০১০ চনলৈ মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

০০০০০

সমাপ্ত